# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-02-2025
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

অসমৰ নেতৃত্বত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলে নতুন ভৱিষ্যত সূচনা কৰাৰ দিশে অগ্ৰসৰ হৈছে। একেদৰে গোলকীয় অনিশ্চয়তাৰ মাজতো বিশ্বৰ বহু বিশেষজ্ঞই সম্প্ৰতি ভাৰতৰ খৰতকীয়া বিকাশৰ কথা আলোচনা কৰিবলৈ লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন উদ্বোধন কৰি এইদৰে কয়। প্ৰধানমন্ত্ৰীয়ে কয়, যে বৰ্তমানৰ ভাৰতে এখোজ এখোজকৈ আগবাঢ়ি যোৱাৰ সমান্তৰালকৈ একবিংশ শতিকাৰ অনাগত ২৫ বছৰৰ দীৰ্ঘম্যাদী লক্ষ্য মনত ৰাখি বৃহৎ পৰিসৰত কামত অগ্ৰসৰ হৈছে। বিশ্বই বৰ্তমান ভাৰতৰ প্ৰশাসনত আস্থা ৰাখিছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে দক্ষতাৰ দিশত খৰতকীয়াকৈ আগবাঢ়ি যোৱা দেশৰ যুৱ সমাজ আৰু মধ্যবিত্ত শ্ৰেণীৰ কথা উল্লেখ কৰে।

দ্বিতীয় এডভাণ্টেজ আছামৰ উদ্বোধনী ভাষণত প্ৰধানমন্ত্ৰীয়ে বিভিন্ন দেশৰ প্ৰতিনিধি আৰু দেশ-বিদেশৰ বিনিয়োগকাৰীৰ সন্মুখত অসমৰ নিজস্ব পৰিচয় স্বৰূপ চাহ উদ্যোগৰ ২০০ বছৰ সম্পূৰ্ণ হোৱাৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে এই চাহ উদ্যোগে এতিয়া আন আন উদ্যোগকো আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগাইছে। ৰাজ্যখনত স্থাপন হ'বলগীয়া ইউৰিয়া প্ৰকল্পই সমগ্ৰ দেশৰে চাহিদা পূৰণ কৰিবলৈ সমৰ্থ হ'ব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে অচিৰেই অসম উত্তৰ-পূবৰ নিৰ্মাণ খণ্ডৰ কেন্দ্ৰ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে নিৰ্মাণ খণ্ডত অসম বহুখিনি আগবাঢ়ি গৈছে আৰু উচ্চমানৰ প্ৰযুক্তিৰ লগতে ৰাজ্যখন ষ্টাৰ্টআপৰ কেন্দ্ৰত পৰিণত হৈছে। ৰাজ্যখনৰ জাগীৰোডত স্থাপন হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্প অনাগত সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ পৰিচয় হৈ উঠিব বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে অনাগত সময়ত ভাৰত ছেমি কণ্ডাক্টৰ খণ্ডত বিশ্বৰ আগশাৰীৰ দেশ হৈ উঠাৰ লগতে ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ জৰিয়তে অসমৰ অৰ্থনীতিও সুদৃঢ় হ'ব। প্ৰধানমন্ত্ৰীয়ে বিনিয়োগকাৰীসকলক অসমত বিনিয়োগৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

০০০০০

বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন দ্বিতীয় এডভাণ্টেজ আছামৰ উদ্বোধনী সত্ৰত আজি কেইবাটাও আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীয়ে অসমত বৃহৎ বিনিয়োগৰ প্ৰতিশ্ৰুতি দিয়ে। আজিৰ অনুষ্ঠানত ৰিলায়েন্স গ্ৰুপৰ অধ্যক্ষ মুকেশ আম্বানী, আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানি, বেদান্ত গ্ৰুপৰ অধ্যক্ষ অনিল আগৰৱালা, টাটা ছ'ন্সৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰ, জে এছ ডব্লিউ গোটৰ অধ্যক্ষ সজ্জন জিন্দালকে ধৰি ভালেমান উদ্যোগপতিয়ে ভাষণ দিয়ে। আদানি গ্ৰুপৰ অধ্যক্ষ গৌতম আদানিয়ে তেওঁৰ ভাষণত অসমত এৰ'চিটী, চিমেণ্টকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ কথা ব্যক্ত কৰে। অনুষ্ঠানত ভাষণ দি ৰিলায়েন্স গ্ৰুপৰ অধ্যক্ষ মুকেশ আম্বানীয়ে অসমত মেগা ফুড পাৰ্ক, সপ্ত তাৰকাযুক্ত হোটেল, দুটা জৈৱ ইন্ধন গোটকে ধৰি ৫ টা গুৰুত্বপূৰ্ণ খণ্ডত অহা ৫ বছৰত ৫০ হাজাৰ কোটিৰো অধিক ধন বিনিয়োগৰ কথা প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যখনত ১০ হাজাৰ কৰ্ম সংস্থাপনৰ সৃষ্টি হ'ব বুলিও অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে। অনাগত সময়ত অসম প্ৰযুক্তিৰ ভূস্বৰ্গ হিচাপে পৰিগণিত হ'ব বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়,

যে লাহে লাহে জনসাধাৰণে AI বুলি ক'লে আৰ্টিফিচিয়েল ইণ্টেলিজেন্সৰ পৰিৱৰ্তে আছাম ইণ্টেলিজেন্স বুলি ক'ব।

টাটা ছ'ন্সৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণে তেওঁৰ ভাষণত কয়, যে অসমৰ সৈতে টাটা গ্ৰুপৰ কেইবা দশকজোৰা সম্বন্ধ আছে। বিগত বৰ্ষত টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ আৰম্ভণিৰ জৰিয়তে অসম আৰু টাটা গ্ৰুপৰ মাজৰ সম্বন্ধ সুদৃঢ় হ'ল বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়, যে অসম চৰকাৰে ঔদ্যোগিক বিকাশৰ নতুন মাত্ৰা নিৰ্ধাৰণ কৰিছে। তেওঁ কয়, যে টাটা গ্ৰুপে অনাগত সময়ত ৰাজ্যখনত আন এটা বৃহৎ নিৰ্মাণ প্ৰযুক্তিৰ প্ৰকল্পত বিনিয়োগ কৰিব আৰু ইয়াৰ ফলত ৩০ হাজাৰ যুৱক-যুৱতীয়ে কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিব।

বেদান্ত গ্ৰুপৰ অধ্যক্ষ অনিল আগৰৱালাই অহা দুবছৰত অসমত এক লাখ বেৰেল তেল উৎপাদন কৰিব বুলি ঘোষণা কৰে।

জে এছ ডব্লিউ গ্ৰুপৰ অধ্যক্ষ সজ্জন জিন্দালে তেওঁৰ ভাষণত কয়, যে উত্তৰ-পূব সমৃদ্ধিশালী হ'লেহে দেশ সমৃদ্ধিশালী হ'ব। শ্ৰীজিন্দালে অসমৰ নৱীকৰণযোগ্য শক্তি খণ্ডত বিনিয়োগৰ সম্ভাৱনাৰ কথা উল্লেখ কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আদৰণি ভাষণ দি কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৰ্তমান অসম অভূতপূৰ্ব ইতিবাচক পৰিৱৰ্তনৰ সাক্ষী হৈছে। তেওঁ কয়, যে এসময়ৰ সমস্যা জৰ্জৰিত ৰাজ্যৰ পৰা অসম বৰ্তমান এখন শান্তিপূৰ্ণ ৰাজ্য হিচাপে ৰূপান্তৰৰ যাত্ৰাৰে আগবাঢ়িছে। ড০ শৰ্মাই দেশ-বিদেশৰ ব্যৱসায়ী আৰু উদ্যোগীসকলক ৰাজ্যখনত বিনিয়োগ কৰিবলৈ আহ্বান জনোৱাৰ লগতে তেওঁলোকক বিনিয়োগৰ বাবে উপযুক্ত পৰিৱেশ দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

উল্লেখযোগ্য যে দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰহণেৰে আজিৰেপৰা দুদিনীয়াকৈ গুৱাহাটীত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই দুদিনীয়া সন্মিলনত উদ্বোধনী সত্ৰ, ৭ খন মন্ত্ৰী পৰ্যায়ৰ সত্ৰ আৰু ১৪ খন বিষয় সম্বলিত সত্ৰ অনুষ্ঠিত হ'ব। এই সত্ৰসমূহত অসমৰ ঔদ্যোগিক বিকাশ, আন্তঃৰাষ্ট্ৰীয় বাণিজ্য অংশীদাৰ, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ আদিকে ধৰি বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব।

আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ভূটানৰ কৃষি মন্ত্ৰী, চুবুৰীয়া ৰাজ্যৰ কেইবাগৰাকী মুখ্য মন্ত্ৰীকে ধৰি ৬১ খন দেশৰ ৰাষ্ট্ৰদূত, ব্যৱসায়িক প্ৰতিনিধি গোট আৰু উদ্যোগ বিশেষজ্ঞই অংশগ্ৰহণ কৰে।

০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ সিন্ধিচৰত আজি সদৌ তিৱা ছাত্ৰ সন্থাৰ ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হয়। এই উপলক্ষে সমগ্ৰ অঞ্চলজুৰি বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। জাগীৰোড সমজিলা আয়ুক্ত বিমান দাসে মুকলি কৰা এই শোভাযাত্ৰাত তিৱা জনগোষ্ঠীৰ উপৰি মিছিং, বড়ো, কাৰ্বি, ৰাভা আদি বিভিন্ন জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰা হয়। ইয়াৰ পাছত আয়োজিত মুকলি সভাত তিৱা জনগোষ্ঠীৰ বিভিন্ন বিষয়ত আলোচনা কৰা হয়। সভাত ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ নেতাসকলে অংশ লয়।

০০০০০

সমাপ্ত